


# অপার্থিব জ্যোতি

# জৱাহৰ-জ্যোতি

## চতুৰ্থ খণ্ড


উনত্ৰিংশ, ত্ৰিত্ৰিংশ, চতুত্ৰিংশ, ষষ্ঠত্ৰিংশ
আৰু
সোণালী জয়ন্তী বৰ্ষৰ
স্মৃতিগ্ৰন্থ

সঙ্কলক
**ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো






মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত প্ৰদৰ্শিত গাৰো নৃত্য




"Woman empowerment and the right to information act" শীৰ্ষক বক্তৃতা অনুষ্ঠানৰ একাংশ





সন্ত্ৰাস জৰ্জ্জৰিত অসমত শান্তিৰ দাবীত মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ সমদল।



"গছ থাকিলেহে মানুহ থাকিব"
— মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত বৃক্ষৰোপণ।

# জৱাহৰ জ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

ঊনত্ৰিংশত্তম সংখ্যা

২০০৬-২০০৭ বৰ্ষ


তত্ত্বাৱধায়ক
শ্ৰীযুগল কিশোৰ নাথ

সম্পাদক
শ্ৰীদিগন্ত ৰাভা

সহঃ সম্পাদক
শ্ৰীশংকৰ কলিতা

"JAWAHARJYOTI" : The magazine of Jawaharlal Nehru College published by Diganta Rabha and Sankar Kalita on behalf of the Students' Union, Jawaharlal Nehru College, Boko.

## সম্পাদনা সমিতি

সভাপতি ঃ ডঃ নৃপেন গোস্বামী, অধ্যক্ষ

উপ-সভাপতি ঃ শ্ৰীলক্ষীকান্ত শৰ্মা, উপাধ্যক্ষ

তত্বাৱধায়ক ঃ শ্ৰীযুগল কিশোৰ নাথ

সম্পাদক ঃ শ্ৰীদিগন্ত ৰাভা

সহঃ সম্পাদক ঃ শ্ৰীশংকৰ কলিতা

শিক্ষক সদস্য ঃ শ্ৰীউমেশ চন্দ্ৰ কৰ

শ্ৰীমেৰাজ খান

ছাত্ৰ সদস্য ঃ শ্ৰীঅজয় হাজোৰাৰী

বেটুপাতৰ শিল্পী ঃ
শ্ৰীদাদুল চলিহা, চিত্ৰ শিল্পী


অংগ সজ্জা ঃ
তত্বাৱধায়ক

স্কেচ্ অংকন ঃ
শ্ৰীমণ্টু দাস, চিত্ৰ শিল্পী

মুদ্ৰণ ঃ
ইম্প্ৰিণ্ট অফ্‌ছেট
মণ্ডলদৈ, অসম

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ২০০৬-২০০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীদিগন্ত ৰাভা আৰু শ্ৰীশংকৰ কলিতাৰ দ্বাৰা প্ৰকাশিত।

# শ্ৰদ্ধাঞ্জলি



আয়ে দিয়া বিহু গামোছাৰে
গুলী খোৱা তেজ মচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাও শলিতা গছি
পুনৰ সন্তম সাজু হৈছো আই
দিবলৈ জীৱন দান।

— জ্যোতিপ্ৰসাদ

# অশ্ৰু-অঞ্জলি

মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য।



বিগত ২০০৬-২০০৭ শিক্ষা বৰ্ষৰ কালছোৱাত
মৃত্যুৰ কোমল কোলাত শুই
যিসকল ব্যক্তি আমাৰ মাজৰ পৰা
চিৰ দিনলৈ হেৰাই গ'ল
সেইসকলৰ পৱিত্ৰ স্মৃতিত
আমি অশ্ৰু-অঞ্জলি যাচিছোঁ
আৰু তেওঁলোকৰ বিদেহী আত্মাৰ
চিৰশান্তি কামনা কৰি
ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

সম্পাদনা সমিতি
জৱাহৰ জ্যোতি

# কৃতজ্ঞতা


জৱাহৰ জ্যোতিৰ প্ৰতিটো
পদক্ষেপতে দিহা-পৰামৰ্শৰে
সহায় কৰা অধ্যক্ষ ডঃ নৃপেন
গোস্বামী, উপাধ্যক্ষ শ্ৰীলক্ষীকান্ত
শৰ্মা, তত্বাৱধায়ক শ্ৰীযুগল কিশোৰ
নাথ, সচিব মেৰাজ খান আৰু
শ্ৰীঅৰনী কুমাৰ দাস চাৰৰ লগতে
পাণ্ডুলিপিসমূহ পৰীক্ষা কৰি প্ৰকাশৰ
উপযোগী কৰি দিয়া বাবে শ্ৰদ্ধাৰ শ্ৰীবসন্ত
কুমাৰ দত্ত, শ্ৰীউমেশ চন্দ্ৰ কৰ আৰু অংশুমা
খুংগুৰ বড়োচা চাৰলৈ কৃতজ্ঞতা জ্ঞাপন
কৰিছো।

যিসকলৰ লিখনীৰ দ্বাৰা জৱাহৰ
জ্যোতি সমৃদ্ধ হ'ল সেইসকললৈ
কৃতজ্ঞতা নিবেদন কৰিছো।
বেটুপাতৰ শিল্পী দাদুল চলিহা
আৰু ইম্‌প্ৰিণ্টৰ স্বত্বাধিকাৰী,
সমূহ কৰ্মীবৃন্দলৈ কৃতজ্ঞতা
জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ
সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু
ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ
কৃতজ্ঞ হৈ ৰলো।

— সম্পাদক

*Jyoti Prasad Das*
**M.L.A.**
Boko LAC.
Ph. No. 94353-40568 (M)

সত্যমেৱ জয়তে




# শুভেচ্ছাবাণী

বকো বিধান সভা সমষ্টিত থকা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, "জৱাহৰ জ্যোতি"ৰ ২০০৬-২০০৭ বৰ্ষৰ সংখ্যাটো প্ৰকাশ পাব বুলি জানিব পাৰি মই সুখী হৈছো।

ইয়াৰ বাবে মই মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মই আশা কৰিলো যাতে, বাৰ্ষিকভাৱে প্ৰকাশ পাবলগীয়া এই আলোচনীখনে, মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু বৌদ্ধিক দিশত বিকাশৰ বাবে বিশেষ ভূমিকা ল'ব পাৰে আৰু ন-ন লেখক-লেখিকাৰ সৃষ্টি কৰি সাহিত্য সমাজখনলৈ বৰঙণি যোগাব পাৰে।

মই আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলো।

(শ্ৰীজ্যোতি প্ৰসাদ দাস)
বিধায়ক
বকো বিধান সভা সমষ্টি।



কৰ্মব্যস্ততাৰ এটি মুহূৰ্তত নৱ নিযুক্ত অধ্যক্ষ ডঃ নৃপেন গোস্বামী



# সম্পাদকীয়

সম্পাদকীয় কলমৰ পাতনিতে যিসকলে আমাৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত নিজৰ দেশ আৰু জাতিৰ কাৰণে প্ৰাণ আহুতি দি কেঁচা তেজেৰে অসম মাতৃৰ চৰণ ধুৱালে, যিসকল গুণী-জ্ঞানী, বিদ্বান-বিদুষীয়ে অসমীয়া মাতৃভাষাৰ বুনিয়াদ গঢ়ি চিৰদিনৰ বাবে অসমবাসীক এৰি গ'ল, যিসকলে দেশৰ বিভিন্ন প্ৰান্তত দেশৰ জন-কল্যাণৰ হকে মাত-মাতি দুষ্কৃতিকাৰীৰ হাতত প্ৰাণ আহুতি দিলে, সেইসকল মহান ব্যক্তিৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি মোৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি যাঁচিলো। লগতে যিসকল মহান ব্যক্তিৰ চেষ্টাত "বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে" জন্ম গ্ৰহণ কৰিছিল সেইসকললৈও মই শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছো। যিসকলৰ স্বাৰ্থশূন্য তথা আন্তৰিকতাপূৰ্ণ সহায়-সহযোগিতাত "বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়"ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত নিৰ্বাচিত হৈ "আলোচনী সম্পাদক"ৰ দায়িত্ব পালনৰ সুবিধা পালো, তেওঁসবলৈ এই ছেগতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অসম ভাৰতবৰ্ষৰ অংগৰাজ্য। অসমৰ সাম্প্ৰতিক পৰিস্থিতি ভয়াবহ। চৌদিশে বিচ্ছিন্নতাবাদীৰ মনোভাৱ প্ৰগাঢ়। হিংসা, হত্যা, ধৰ্ষণ, লুণ্ঠন, নিৰ্যাতনৰ ক'লা ডাৱৰে আকাশ চানি ধৰিছে। তাৰ লগে লগে বাঢ়ি আহিছে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন সমস্যা। যুৱসমাজ হৈ পৰিছে উদভ্ৰান্ত। যৌৱনৰ স্বপ্ন, জীৱনৰ আশা পৰিত্যাগ কৰি যুৱচামে বাছি লৈছে উগ্ৰপন্থা। সমাজৰ এচাম সুবিধাবাদী লোকে নিজৰ স্বাৰ্থ পূৰণৰ বাবে ধৰ্ম, ভাষা, জাতিৰ নামত বিভেদৰ সৃষ্টি কৰি ভাতৃঘাতী সংঘৰ্ষৰ ৰণশিঙা বজাইছে। যি দুই এক স্বাধীন মনোবৃত্তিৰ প্ৰতিবাদী ব্যক্তি আছিল, পেশী আৰু ধন শক্তিৰ জৰিয়তে তেওঁলোকৰ বিবেক আৰু কণ্ঠ স্তব্ধ কৰি দিছে চিৰদিনৰ বাবে। এইবোৰ কাণ্ড কাৰখানা দেখি-শুনিও নিজকে বুদ্ধিজীৱী বুলি উচ্চাসনত বহুওৱা লোকসকলে চকু মুদি থাকে। অৱশ্যে কেতিয়াবা কেতিয়াবা দোষমুক্ত হোৱাৰ বাবে প্ৰচাৰ মাধ্যমৰ জৰিয়তে সাক্ষাৎকাৰ বা দুই-এটা প্ৰবন্ধ-নিবন্ধ লিখি সকলোৰে চকুত ধূলি ছটিয়ায়। কিন্তু তেওঁলোকে ৰাইজৰ মাজলৈ প্ৰত্যক্ষভাৱে ওলাই আহি সুখ-দুখৰ সমভাগী হ'বলৈ, সমস্যাবোৰৰ সমাধানৰ চেষ্টা নকৰে কিয় ? যদি এনেদৰে আমি সকলোৱে জানি-বুজি সময়বোৰ গতানুগতিকভাৱে পাৰ কৰোঁ, তেনেহ'লে অসমীয়া জাতীয় জীৱনৰ বস্তি নুমুৱাবলৈ বেছিদিন নালাগিব। গতিকে সময় থাকোতেই সচেতন হৈ হিংসা-সন্ত্ৰাসত থানবান হ'ব ধৰা বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰে পৰিপূৰ্ণ অসমীয়া সমাজখনক আমিয়েই পুনৰুত্থান কৰিবলৈ আগবাঢ়ি আহিব লাগিব। এই ক্ষেত্ৰত যুৱ শক্তিয়ে অগ্ৰণী ভূমিকা ল'ব লাগিব। কাৰণ জাতি এটা মূলতঃ যুৱশক্তিৰ ওপৰতে নিৰ্ভৰশীল। দ্ৰুত যান্ত্ৰিকতাৰ বাধাইও ছাত্ৰ-ছাত্ৰীৰ মনৰ অনুভূতিক সৃষ্টিশীল জগতখনৰ পৰা বিচ্ছিন্ন কৰিব পৰা নাই। সৃষ্টিশীল জগতখনৰ দুৱাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সদায়ে মুকলি। কাৰণ তেওঁলোকৰ যৌৱনৰ স্বপ্ন জীৱনৰ আশা-আকাঙ্খাৰ কোনো ধৰা-বন্ধা পৰিসীমা নাথাকে। তেওঁলোকে সন্মুখৰ পিনে আগবাঢ়িছে সম্ভাৱনাৰ অন্বেষণত।

আমাৰ মহাবিদ্যালয়খনৰ সীমাহীন অভাৱৰ মাজতো কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভাৰে সাহিত্যৰ বিশাল পথাৰখনত খোজ পেলাইছে। এয়া আমাৰ বাবে নিশ্চয় গৌৰৱৰ বিষয়। সম্প্ৰতি আমাৰ মহাবিদ্যালয় প্ৰাঙ্গণত প্ৰায় অৰ্ধ-শতাধিক ছাত্ৰ-ছাত্ৰী সাহিত্যৰ বিভিন্ন দিশৰ লগত জড়িত। অৱশ্যে এটা কথা স্বীকাৰ কৰিব লাগিব যে অধ্যয়ন আৰু অনুশীলনৰ প্ৰতি অনীহা ভাবৰ বাবেই তেওঁলোকৰ বেছি

সম্পাদকীয়

ভাগৰে লিখনীত এতিয়াও পৈণত ভাৱ ফুটি উঠা নাই। গতিকে ভৱিষ্যতে অধিক অধ্যয়ন আৰু অনুশীলনে তেওঁলোকৰ মাজৰ পৰাই বিশিষ্ট লেখক-লেখিকাৰ সৃষ্টি কৰিব বুলি আমি আশা ৰাখিছো। লগতে সাহিত্য চৰ্চাৰ পৰিবেশটো আৰু অধিক সজীৱ কৰিবৰ কাৰণে মহাবিদ্যালয় কৰ্তৃপক্ষক বিনম্ৰভাৱে অনুৰোধ জনালো।

"জৱাহৰজ্যোতি" আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ। সেয়ে ইয়াৰ জৰিয়তে মহাবিদ্যালয়ৰ পূৰ্ণ প্ৰতিচ্ছবি ফুটি উঠাৰ ওপৰত সম্পাদক হিচাপে মই পাৰ্যমানে চেষ্টা কৰিছো। মই মোৰ সীমিত জ্ঞানেৰে আলোচনীখন সৰ্বাংগ সুন্দৰ কৰাত যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছো। তৎসত্বেও ৰৈ যোৱা ত্ৰুটিৰ বাবে মই বিনম্ৰভাৱে ক্ষমা প্ৰাৰ্থনা মাগিছো। লিখনীৰ অভাৱত সময়মতে আলোচনীখন প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণে আপোনাসৱৰ ওচৰত ক্ষমা মাগিছো। পলমকৈ হ'লেও ছাত্ৰ-ছাত্ৰীসকলৰ হাতত আলোচনীখন তুলি দিবলৈ সফল হোৱা বাবে অধ্যক্ষ ডঃ নৃপেন গোস্বামী ছাৰ, উপাধ্যক্ষ লক্ষীকান্ত শৰ্মা ছাৰ আৰু তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত যুগল কিশোৰ নাথ ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা শ্ৰীযুত ললিত চন্দ্ৰ ৰাভা ছাৰ আৰু শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়া ছাৰলৈ কৃতজ্ঞতা জনালো। মোৰ সহপাঠী বন্ধু-বান্ধৱী সৰ্বশ্ৰী অজয় হাজোৱাৰী, দধিমোহন ৰাভা, অনুক চুনাৰ, বিজয় দাস, গীতিকা ঠাকুৰীয়া সকলোকে তেওঁলোকে আগবঢ়োৱা সীমাহীন সহযোগিতাৰ বাবে এই ছেগতে আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌশেষত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় সামৰণি মাৰিলো।

।। জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।।

।। জয়তু জৱাহৰ জ্যোতি ।।

**শ্ৰীদিগন্ত ৰাভা**
সম্পাদক, জৱাহৰ জ্যোতি
২০০৬-০৭ বৰ্ষ

# অসমীয়া বিভাগ

# প্ৰবন্ধ

সূচীপত্ৰ


| | | |
|---|---|---|
| ❑ অসমীয়া সংস্কৃতিত বিহুগীতৰ ভূমিকা | শ্ৰীজ্যোতিপ্ৰভা অধিকাৰী | ১ |
| ❑ সত্ৰৰ সংজ্ঞা, গঠন আৰু শ্ৰেণীবিভাজন | শ্ৰীজ্যোতিপ্ৰসাদ দাস | ৩ |
| ❑ গণতান্ত্ৰিক উপায়েৰে আমাৰ জ্বলন্ত সমস্যাসমূহৰ সমাধান সম্ভৱ | শ্ৰীদিগন্ত ৰাভা | ৫ |
| ❑ স্কুল-কলেজত ইংৰাজী শিক্ষা | শ্ৰীমৃগেন শৰ্মা | ৬ |
| ❑ সামাজিক নিষিদ্ধতা — টেবু | শ্ৰীবিনয়া দেৱী | ৯ |
| ❑ জনজাতীয় সমাজত দেৱী পূজা | শ্ৰীললিত চন্দ্ৰ ৰাভা | ১৫ |

# অসমীয়া সংস্কৃতিত বিহুগীতৰ ভূমিকা

শ্ৰীজ্যোতিপ্ৰভা অধিকাৰী
উঃ মাঃ ১ম বৰ্ষ (কলা)

অলংকাৰ অবিহনে নাৰী, পানী অবিহনে নদী আৰু পুষ্প অবিহনে বৃক্ষ যিদৰে অসম্পূৰ্ণ, ঠিক তেনেদৰে 'সংস্কৃতি' অবিহনে জাতি অসম্পূৰ্ণ।

সংস্কৃতি মানে হৈছে বিদ্যা-বুদ্ধি, শিল্পকলা, শিক্ষা-দীক্ষা, ৰীতি-নীতি আদিৰ চৰ্চাৰ দ্বাৰা লাভ হোৱা বিকাশ। প্ৰত্যেক জাতিৰে নিজস্ব সংস্কৃতি থাকে। সংস্কৃতিৰ পৰিচয়ে জাতিৰ পৰিচয়। যি জাতিৰ সংস্কৃতি নাই সেই জাতিয়ে স্বকীয়তা হেৰুৱাই আৰু অৱশেষত জাতিৰ অস্তিত্ব লোপ পায়। অন্য জাতিসমূহৰ দৰে অসমীয়া জাতিৰো এক নিজস্ব বুৰঞ্জীসমৃদ্ধ, ৰঙীন আৰু সু-কলা সম্পন্ন সংস্কৃতি আছে। অসমীয়া সংস্কৃতি বুলিলে আমাৰ মনৰ দাপোণত ভাঁহি উঠে বিহুৰ দৰে জাতীয় উৎসৱ, বনগীত, বৰগীত, পাট-মুগাৰ বুটাবছা কাপোৰ, জাপি ইত্যাদি। এই সকলোবোৰ অসমীয়া সংস্কৃতিৰ উপাদান। অসমীয়া জাতিৰ কৃষ্টিৰ সৃষ্টি বিহু আৰু বিহুগীতবোৰৰ মাজতে সোমাই আছে অসমীয়া সংস্কৃতি আৰু সভ্যতাৰ ৰত্ন ভাণ্ডাৰ। চেনেহৰ বহাগৰ বিহুটি অসমীয়াৰ অতি আদৰৰ। সেইবাবেই সু-শিল্পী ভূপেন হাজৰিকাদেৱে তেখেতৰ গীতত প্ৰকাশ কৰিছে—

বহাগ মাথো এটি ঋতু নহয়,
নহয় বহাগ এটি মাহ,
অসমীয়া জাতিৰ ই আয়ুস ৰেখা।

বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎস। বিহু শব্দটোৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলৰ ভিন ভিন মত দেখা যায়। যিহেতু বিষুৱ-সংক্ৰান্তিৰ সময়তে এই বিহু উৎসৱ পালন কৰা হয়, সেয়ে কোনো কোনোৰ মতে সংস্কৃত 'বিষুৱ' শব্দৰ লগত 'বিহুৰ' সম্পৰ্ক আছে। কিন্তু পৰৱৰ্তী কালৰ চিন্তা-চৰ্চা আৰু গৱেষণাৰ পৰা দেখা গৈছে যে থলুৱা জনজাতিসকলৰ প্ৰধান উৎসৱ হিচাপে বড়ো ভাষাৰ 'বৈচাগু' বা 'বৈখু' শব্দৰ পৰা বিহু শব্দটো উৎপত্তি হোৱাৰ সম্ভাৱনা বেছি।

এই বিহুৰ প্ৰাণ হৈছে 'বিহুগীত'। বিহুগীতবোৰৰ মাজত অসমীয়া সমাজখনৰ মূৰ্ত প্ৰকাশ এটা সদায় দেখিবলৈ পোৱা যায়। অসমীয়া সমাজখনৰ বিষয়ে, ক'বলৈ যাওঁতে, বিহুগীতত প্ৰধানকৈ দৈহিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবেশ আদিৰ সামাজিক ভাবসমূহ ফুটি উঠা দেখিবলৈ পোৱা যায়। প্ৰকৃতিৰ লগত যেন অসমীয়াৰ এক গভীৰ সম্বন্ধ আৰু তাৰ ফলতেই জন্ম হৈ আহিছে অলেখ লিখিত আৰু অলিখিত বিহুগীতৰ। সেই কাৰণেই স্বৰ্গীয় ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছিল যে, প্ৰকৃতিৰ পৰশত স্পন্দিত হোৱা অনুভূতিৰ বহিঃ প্ৰকাশৰ বিহুগীত অসমীয়া মানুহৰ মনৰ আৰু প্ৰকৃতিৰ প্ৰতিচ্ছবি হ'বলৈ সক্ষম হৈছে। অসমীয়া জনসাহিত্যত বিহুগীতে এক উচ্চ স্থান অধিকাৰ কৰি আছে। বিহুগীত কোনে কেতিয়া ৰচনা কৰি থৈ গৈছে তাৰ উহ বিচাৰি উলিওৱা টান। পণ্ডিতসকলৰ মততে মত মিলাই ক'ব পাৰি যে এই গীতবোৰ কোনো কালত হোজা অসমীয়াৰ অন্তৰত জাগি উঠা আৱেগৰ ফলতেই জন্ম হৈছে। কবিতা হিচাপে এই গীতবোৰ লিখা হোৱা নাছিল। শোকাৰ্ত বাল্মীকিৰ মুখৰ পৰা কোনেও ক'ব নোৱাৰাকৈ শ্লোক এফাঁকিৰ জন্ম হোৱাৰ দৰে আমাৰো কোনোবা হোজা অসমীয়াৰ গা-মন ৰাই-জাই কৰা অৱস্থাতে এই গীতবোৰৰ জন্ম হৈছিল। বসন্তৰ বা লাগি কোনো চহা অসমীয়াৰ তেজত শিহৰণ তুলি মনৰ কথা মুখেৰে নিঃসৃতভাৱে ওলাওতেই বিহুগীতৰ সৃষ্টি বুলি বিশ্বাস। অতি পুৰণি কালৰ পৰা সভ্যতাৰ নানা পৰ্যায় পাৰ হৈ আহি বিহুগীতে বৰ্তমান কাল পাইছে। লিখিত অৱস্থাত নথকা কাৰণেই বিহুগীতৰ ভাষাৰ হেৰ-ফেৰ হোৱা যেন অনুভৱ হয়। কিয়নো বৰ্তমান কালত বিহুগীতৰ ভাষা তেনেই আধুনিক অসমীয়া। ভাষাৰ শ্ৰেণীৰ পৰিবৰ্তন হ'লেও প্ৰাচীন কালত অসমীয়া জাতিৰ ওপৰত বিহুগীতৰ যি ভূমিকা আছিল আজিও তাৰ সলনি হোৱা নাই। ই হৈছে অসমীয়া সংস্কৃতিৰ মূল সুতি। অসমীয়া সংস্কৃতি বুলিলেই বিহু আৰু বিহু বুলিলেই বিহুগীত। বিহুগীত হৈছে বিহুৰ প্ৰাণ।

সাধাৰণতে দেখা যায় যে বিহুগীতবোৰ প্ৰেমমূলক। এই গীতৰ মাজেৰে প্ৰেমিক-প্ৰেমিকাৰ পীৰিতিৰ বৰ্ণনা কৰা হয়। চাবলৈ গ'লে প্ৰেমেই মানুহক জীয়াই ৰাখিছে। মানুহৰ জীৱনত প্ৰেম অতি গুৰুত্বপূৰ্ণ। গতিকে প্ৰেমৰ সমল বহুল এই গীতবোৰো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে প্ৰেমিক-প্ৰেমিকাই নিজৰ মনৰ কথা এজনে আনজনৰ ওচৰত প্ৰকাশ কৰে। নানা লিখকৰ হাতত এই গীতবোৰ উৰ্দ্ধ, উৰ্দ্ধৰ পৰা উৰ্দ্ধ স্তৰ পাই এক গভীৰ আধ্যাত্মিক ৰূপ প্ৰকাশ কৰে আৰু আমাৰ সংস্কৃতিক এক উজ্বল শিখৰত অধিষ্ঠিত কৰে। গতিকে এই গীতবোৰে অসমীয়া সংস্কৃতিত অতি উল্লেখযোগ্য